# প্ৰেছ বাৰ্তা

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম**

## ১,০০০ টকাৰ এককালীন অৰ্থ সাহায্য

# হিতাধিকাৰী বাচনিত হোৱা খেলি-মেলিৰ অভিযোগত ২গৰাকী পঞ্চায়ত সচিবক নিলম্বন আৰু এগৰাকী বিডিঅ'ক কৈফিয়ৎ তলব

**গুৱাহাটী ৮ এপ্ৰিলঃ** সম্প্ৰতি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা প্ৰতিটো দুখীয়া পৰিয়ালক প্ৰদান কৰি থকা ১০০০ টকাৰ এককালীন সাহায্য বিতৰণৰ ক্ষেত্ৰত নগাঁও জিলাত হিতাধিকাৰী বাচনিত খেলি-মেলি হোৱা বুলি আজিৰ একাংশ বাতৰি কাকতত প্ৰকাশিত বাতৰি বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ দৃষ্টি গোচৰ হোৱাৰ লগে লগে তৎকালীনভাৱে এই ঘটনাৰ তদন্ত কৰিবলৈ বিভাগক নিৰ্দেশ দিয়ে।

এই নিৰ্দেশনা অনুসৰি নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক বিভাগীয়ভাৱে তদন্তৰ দায়িত্ব অৰ্পণ কৰা হয় আৰু বিষয়টোৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি বিষয়াগৰাকীক তাৎক্ষণিকভাৱে তদন্ত কৰি আজিয়েই প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হয়। সেইমৰ্মে মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে আজি তদন্তৰ প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনৰ ভিত্তিত জুৰিয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মইনুল হ'ক চৌধুৰীক কৈফিয়ৎ তলব কৰা হৈছে। আনহাতে এই উন্নয়ন খণ্ডৰ অন্তৰ্গত কছাৰী গাঁও আৰু গদাইমাৰী গাঁও পঞ্চায়তৰ সচিব ক্ৰমে আছাদুজ জামান আৰু পম্পি ডেকাক তৎকালীনভাৱে বলবৎ হোৱাকৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্তই নিলম্বন কৰে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে দুখীয়া ৰাইজৰ বাবে চৰকাৰে লোৱা এই পদক্ষেপত ধন আত্মসাতকে ধৰি যিকোনো দুৰ্নীতিমূলক কাৰ্য সহ্য কৰা নহ'ব বুলি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংশ্লিষ্ট সকলোকে সকিয়াই দিছে।

উল্লেখযোগ্য যে বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত সমাজৰ দুৰ্বল শ্ৰেণীক সহায় কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা অনুসৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ তৎপৰতাত গ্ৰাম্য দুখীয়া বিশেষকৈ সমাজৰ আটাইতকৈ দুৰ্বল শ্ৰেণীটোক আৰ্থিক সকাহ প্ৰদানৰ বাবে চতুৰ্দশ বিত্তীয় আয়োগৰ অনুদানেৰে খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা প্ৰতিটো দুখীয়া পৰিয়ালক ১,০০০ টকাকৈ নগদ এককালীন সাহায্য আগবঢ়াই আছে আৰু বৰ্তমানলৈ প্ৰায় ৩ লাখ পৰিয়াল ইয়াৰ দ্বাৰা উপকৃত হৈছে।

*এম আৰ ডি/৮-৪-২০২০*